তোহাৰি চৰণক চৰণু শত কোটি
বাৰেক কৰোহো প্ৰণাম।।" ১।।

**● টোটয় ঃ**

শঙ্কৰদেৱৰ সংস্কৃত তোটয় ছন্দত ৰচিত ভটিমাটি হ'ল— 'মধুদানৱ দাৰণ দেৱ বৰম'—। এইবিধ ছন্দ সংস্কৃত 'ত্ৰোটকাৰ' আৰ্হীয়া ছন্দেৰে নিৰ্মিত। ভটিমাটিৰ ছন্দসজ্জাত দ্বাদশ অক্ষৰ প্ৰতিচৰণত আছে। সেইবোৰ চাৰিটাকৈ গণত বিভক্ত। গুৰু অক্ষৰ তৃতীয় আৰু চতুৰ্থ অংশ আৰু লঘু অক্ষৰ প্ৰথম দুই অংশ। গোটেইবোৰ চৰণেই অনুপ্ৰাস অলঙ্কাৰেৰে অলঙ্কৃত। প্ৰতিটো চৰণৰ শেষৰ যিটো বৰ্ণ সমষ্টি, ঠিক সেই বৰ্ণসমষ্টিৰে (কেতিয়াবা অৰ্থ বেলেগ হ'লেও) পাছৰ চৰণটো আৰম্ভ হৈছে।—

"মধুদানৱদাৰণ দেৱৱৰম্। ৰৰবাৰিজলোচন চক্ৰধৰম্।।
ধৰণীধৰধাৰণধ্যোয় পৰম্। পৰমাৰ্থবিদ্যাশুভনাশকৰম্।।
কৰচূৰ্ণিতচেদিপভূৰিভগম্। ভগভূষণকোচিৰ্চতপাদযুগম্।।
যুগনায়কনাগৰবেশৰুচিম্। ৰুচিৰংশপিধানশৰীৰশুচিম্।।" *ইত্যাদি*

**● মুক্তক ছন্দ ঃ**

ইংৰাজী সাহিত্যৰ Free Verse ৰ অনুকৰণত সৃষ্টি হোৱা আধুনিকতম কাব্য ৰীতি হৈছে মুক্তক ছন্দ। মুক্তক ছন্দৰ ব্যৱহাৰ আধুনিক অসমীয়া কবিতাৰ উল্লেখনীয় বৈশিষ্ট্য। ৰোমাণ্টিক যুগৰ অসমীয়া কবিতাৰ দৈহিক গঠনৰ আধাৰ আছিল যৌগিক ছন্দ। কিন্তু আধুনিক কবিতাই যৌগিক ছন্দ পৰিহাৰ কৰি মুক্তক ছন্দক আপোন কৰি ল'লে। মুক্তক ছন্দ মানে ছন্দহীন নহয়, গতানুগতিক ছন্দ ৰীতিৰ পৰা মুক্তি। "কিন্তু এই মুক্তিৰ অৰ্থ অৰাজকতা নহয়। ঐক্যৰ মাজেদি বৈচিত্ৰ্যৰ সৃষ্টি কৰি ৰসৰ যোগান ধৰাই হ'ল মুক্তক ছন্দৰ ছান্দসিক দৰ্শন। ভাব-তৰঙ্গৰ সঙ্গতি ৰখা বিভিন্ন পৰ্ব-পৰ্বাঙ্গৰ সংযোজনৰ আদৰ্শই হ'ল মুক্তক ছন্দ।" (পূৰ্ণ ভট্টাচাৰ্য- আধুনিক অসমীয়া কবিতা)। ধ্বনিৰ প্ৰবাহমান স্পন্দন বৈচিত্ৰ্য আৰু মুক্ত গতিয়ে ইয়াৰ প্ৰাণ; পংক্তিসমূহো সমতাহীন। কবিৰ ভাবানুভূতিৰ অন্তত যতি পৰে।





উদাহৰণস্বৰূপে—

"পলাসৰ জুই নুমাল এতিয়া। শাল আৰু চতিয়ন
বনত মানৱ দিনৰ অতীত বহ্যগৰ ধুমুহাৰ
কিমান সপোন মৰি গ'ল তাৰ কোনে ৰাখে খতিয়ান?
কলং কপিলী দিজুৰ পাৰত কঙ্কাদেউতাৰ হাড়।
বুঢ়ী আইতাৰ কলিজাৰে গজে বন-নহৰৰ ফুল।"

*(নৱকান্ত বৰুৱা- পলস)*

তেনেদৰে,

"মই ব্যতিক্ৰম?
নহয়, নহয়!
মই, মই যে মাথোঁ চিৰন্তন নাৰী,
যুগমীয়া ৰহস্যৰে ভৰা বিচিত্ৰ বৰ্ণালীৰ এক সহজ প্ৰকাশ।"

*(নিৰ্মলপ্ৰভা বৰদলৈ- দ্ৰৌপদী)*

"যাত্ৰাময় শিলনিৰ
সংঘাত ওপজা ফিৰিঙতিত এদিন হ'ল
জ্যামিতিক বিন্দুত জীৱনৰ জীৱন্ত সূচনা।
তুমি সাৰ পালা।"

*(হৰি বৰকাকতি- অনুৰ্ব্বৰা)*

**● স্পন্দিত গদ্য ছন্দ ঃ**

আধুনিক কবিতাত প্ৰকাশ পোৱা এটি বিশেষত্ব হ'ল স্পন্দিত গদ্য ছন্দৰ প্ৰয়োগ। স্পন্দিত গদ্য হ'ল দৈনন্দিন জীৱনৰ কথোপকথনত ব্যৱহাৰ কৰা ভাষাৰ এক মাধুৰ্যপূৰ্ণ ৰূপ। ইয়াত প্ৰচলিত ছন্দ বন্ধনৰ নিয়মীয়া লয় নাই, কিন্তু ভাবাবেগ উন্নত কৰা কথাৰ ভাষাৰ ছন্দস্পন্দ (rhythm) আছে। ইয়াত নিয়মিত তালৰ যতি নাথাকে, ছেদেৰে নিৰূপিত একো একোটি সুশ্ৰাব্য ধ্বনিপুঞ্জৰ সমাহাৰে ছন্দস্পন্দৰ সৃষ্টি কৰা হয়।



Scanned with CamScanner